**ভূটানৰ চতুৰ্থ নৃপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ জনতাক আদৰণি আৰু বিশ্ব শান্তি প্ৰাৰ্থনা উৎসৱত অংশগ্ৰহণ (নৱেম্বৰ 12, 2025)**

নৱেম্বৰ 12, 2025

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি থিম্ফুত ভূটানৰ চতুৰ্থ নৃপতি মহামান্য জিগমে সিংগিয়ে ৱাংচুকৰ সৈতে জনতাক আদৰণি জনায়।

2. প্ৰধানমন্ত্ৰীয়ে মহামান্য চতুৰ্থ নৃপতিৰ সত্তৰ সংখ্যক জন্মদিন উপলক্ষে তেওঁক অভিনন্দন জ্ঞাপন কৰে আৰু মহামান্য নৃপতিৰ সুস্বাস্থ্য আৰু কল্যাণৰ বাবে ভাৰত চৰকাৰ আৰু জনসাধাৰণৰ হৈ শুভেচ্ছা আৰু প্ৰাৰ্থনা জনায়। প্ৰধানমন্ত্ৰীয়ে ভাৰত-ভূটানৰ বন্ধুত্ব অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত চতুৰ্থ নৃপতিক তেওঁৰ নেতৃত্ব, পৰামৰ্শ আৰু নিৰ্দেশনাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক আৰু পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহ লৈ আলোচনা কৰে। এই সন্দৰ্ভত তেওঁলোকে উভয় দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাৰ লগতে আধ্যাত্মিক আৰু সাংস্কৃতিক সম্পৰ্ক সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

3. থিম্ফুত চলি থকা বিশ্ব শান্তি প্ৰাৰ্থনা উৎসৱৰ অংশ হিচাপে ছাংলিমিথাং ষ্টেডিয়ামত কালচক্ৰ দীক্ষা অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ভূটানৰ নৃপতি, ভূটানৰ চতুৰ্থ নৃপতি আৰু ভূটানৰ প্ৰধানমন্ত্ৰীৰ সৈতে অংশগ্ৰহণ কৰে। ভূটানৰ মুখ্য মঠাধীশ মহামতি জে খেনপোৱে প্ৰাৰ্থনা উৎসৱৰ অধ্যক্ষতা কৰে।

থিম্ফু

নৱেম্বৰ 12, 2025